# কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়

## নমাটি , নলবাৰী

## ক্ষেত্ৰ অধ্যয়ন

**বিষয়** ঃ- **লিপিৰ এক অধ্যয়ন ।**

## প্ৰস্তুত কৰ্তা


নাম ঃ ডালিয়া বৰ্মন

শ্ৰেণী ঃ স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক

বিভাগ ঃ অসমীয়া বিভাগ

ৰোল নংঃ এ.এচ.এম-১১


বৰ্ষ ঃ ২০১৯-২০

**আৰম্ভণি:** অসমীয়া বিভাগৰ ক্ষেত্ৰ অধ্যয়নৰ বাবে আমাক দিয়া বিষয়টো হৈছে লিপি। লিপি অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা অধিক। প্ৰাচীন কালৰ পৰা বৰ্তমানলৈ লিপিৰ ক্ৰমবিকাশৰ বিষয়ে জানিবলৈ হ'লে লিপি অধ্যয়নৰ প্ৰয়োজনীয়তা অধিক বেছি। লিপি সম্পৰ্কে আগতে পঢ়ি আহিছো যদিও সঠিক ধাৰণা লাভ কৰিবলৈ এক ক্ষেত্ৰ অধ্যয়ন চলোৱা হৈছিল। এই ক্ষেত্ৰ অধ্যয়নত লিপি সম্পৰ্কে বহুতো তথ্য পোৱা গৈছে। লিপি কি, ইয়াৰ উৎপত্তি কেনেকৈ হৈছে আদিৰ বিষয়ে বিভিন্ন তথ্য আহৰণ কৰা হৈছে।

**অধ্যয়নৰ উদ্দেশ্য:** লিপি আৰু অসমীয়া লিপিৰ ক্ৰমবিকাশ সম্পৰ্কে জানিবৰ উদ্দেশ্যে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° হুছনীন মইকীয়া হাতৰ তত্ত্বাৱধানত মোৰ ১৮.০২.২০২০ তাৰিখে 'অসম ৰাজ্যিক সংগ্ৰাহালয়'লৈ গৈ লিপি সম্পৰ্কে এক অধ্যয়ন চলোৱা হৈছিল। সেই অধ্যয়ন সম্পৰ্কে লিখিত ৰূপ দিয়াটোৱেই হৈছে ইয়াৰ উদ্দেশ্য।

**অধ্যয়নৰ পদ্ধতি:** ক্ষেত্ৰ অধ্যয়নৰ বিষয়টো প্ৰস্তুত কৰোঁতে সমীক্ষাত্মক আৰু অধ্যয়ন পদ্ধতিৰ সহায় লোৱা হৈছিল।

**বিষয়বস্তুৰ উপস্থাপন:** মানুহে উচ্চাৰণ কৰা ধ্বনিসমূহক যি প্ৰতীক-চিহ্ন অথবা ৰেখা-চিত্ৰৰ সহায়ত ৰূপ দিয়া হয় তাকেই লিপি বুলি কোৱা হয়। প্ৰাচীন কালত ধাতুৰে নিৰ্মিত জোখাল মুখৰ কলমৰ সহায়ত ভূৰ্জপত্ৰ, তালপাত আদিত